**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 25-03-2026
**Time :** 18-45 Hrs

## ASSAMESE EVEN BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

১। বিধানসভা নিৰ্বাচনৰ বাবে শাসক-বিৰোধী উভয় পক্ষৰ প্ৰচাৰ অভিযান তীব্ৰতৰ।

২। ৰাজ্যত বৰ্তমানলৈ ৭৮৬ গৰাকী প্ৰাৰ্থীৰ মনোনয়ন পত্ৰ বৈধ বিবেচিত।

৩। আসন্ন নিৰ্বাচন শান্তিপূৰ্ণভাৱে পৰিচালনাৰ বাবে বিভিন্ন জিলা প্ৰশাসনৰ পূৰ্ণগতিত প্ৰস্তুতি।

৪। ছিংগাপুৰৰ ক'ৰনাৰ্ছ আদালতৰ জুবিন গাৰ্গৰ আকস্মিকভাৱে পানীত বুৰি মৃত্যু হোৱা বুলি চূড়ান্ত ৰায়দান। *আৰু*

৫। মধ্যপ্ৰাচ্যৰ পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত সংকটৰ জোৰা মৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ সৰ্বদলীয় বৈঠক।

ooooo

বিধানসভা নিৰ্বাচনৰ বাবে শাসক-বিৰোধী উভয় পক্ষই প্ৰচাৰ অভিযান তীব্ৰতৰ কৰি তুলিছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি লামডিঙত দলীয় প্ৰাৰ্থী শিবু মিশ্ৰৰ হৈ প্ৰচাৰ চলায়। মুখ্যমন্ত্ৰীগৰাকীয়ে হোজাইত দলীয় প্ৰাৰ্থী শিলাদিত্য দেৱৰ হৈ প্ৰচাৰত ভাগ লয়। ইয়াৰ আগেয়ে ড° শৰ্মাই নগাঁও বটদ্ৰৱা বিধানসভা সমষ্টিত বিজয় সংকল্প সভাতো অংশ লয়। অনুষ্ঠানত দিয়া ভাষণত তেওঁ জনসাধাৰণক উন্নয়নৰ স্বাৰ্থত দলটোক ভোটদান কৰিবলৈ আহ্বান জনায়।

বাইট - মুখ্যমন্ত্ৰী

বিজেপিৰ নেত্ৰী তথা ৰাজ্যৰ বিত্তমন্ত্ৰী অজন্তা নেওগে আজি গোলাঘাট বিধানসভা সমষ্টিত নিৰ্বাচনী প্ৰচাৰত অংশ লয়। বাক্সা জিলাৰ মানাহ বিধানসভা সমষ্টিৰ শিমলাত আজি ইউ পি পি এলৰ জৌশ্ৰাং ব্ৰহ্মই নিৰ্বাচনী প্ৰচাৰ সভাত অংশ লয়। কংগ্ৰেছ দলৰ ৰাজ্যিক সভাপতি গৌৰৱ গগৈয়ে আজি সৰভোগত সমষ্টিটোৰ প্ৰাৰ্থী মনোৰঞ্জন তালুকদাৰৰ সমৰ্থনত প্ৰচাৰ অভিযান চলায়। এই সভাত বিৰোধীৰ মিত্ৰদল অসম জাতীয় পৰিষদৰ নেতা লুৰিণজ্যোতি গগৈও উপস্থিত থাকে। এই সভাৰ পাছত গৌৰৱ গগৈয়ে সংবাদ মাধ্যমৰ আগত এইদৰে কয়।

বাইট - গগৈ

তেওঁ বৰপেটাৰ মন্দিয়া সমষ্টিৰ দলীয় প্ৰাৰ্থী আব্দুল খালেকৰ হৈ প্ৰচাৰ চলাই বান খহনীয়াত আক্ৰান্ত ৰাইজৰ সমস্যা সমাধান প্ৰতিশ্ৰুতি দিয়ে। ধেমাজীত আজি সমষ্টিটোৰ প্ৰাৰ্থী ডাঃ ৰণোজ পেগুৱে উত্তৰ ধেমাজীৰ ছটা স্থানত প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। দলৰ নেতা দেবব্ৰত শইকীয়াই নাজিৰা বিধানসভা সমষ্টিৰ বিভিন্ন অঞ্চলত প্ৰচাৰ কাৰ্যসূচীত অংশ লয়।

বিজেপি আৰু কংগ্ৰেছ দলে প্ৰচাৰৰ বাবে ৪০ জনকৈ তাৰকা প্ৰচাৰকৰ নামৰ তালিকা প্ৰকাশ কৰিছে। এই অনুসৰি বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ১, ৫ আৰু ৬ এপ্ৰিলত নিৰ্বাচনী সভাত অংশ ল'ব। ২৯ মাৰ্চ, ২ এপ্ৰিল আৰু ৭ এপ্ৰিলত গৃহমন্ত্ৰী অমিত শ্বাহে নিৰ্বাচনী প্ৰচাৰ চলোৱাৰ কথা। একেদৰে ২৯ আৰু ৩০ মাৰ্চত বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীনে কেইবাখনো নিৰ্বাচনী সভাত অংশ ল'ব বুলি জানিব পৰা গৈছে।

কংগ্ৰেছেও কেইবাগৰাকীও তাৰকা-প্ৰচাৰকৰ দ্বাৰা নিৰ্বাচনী প্ৰচাৰ চলাব। দলৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গে, দলৰ নেতা ৰাহুল গান্ধী, প্ৰিয়ংকা গান্ধী, জয়ৰাম ৰমেশ, শচীন পাইলট, ভূপেশ বাঘেলকে ধৰি ভালেসংখ্যক জ্যেষ্ঠ নেতাই ৰাজ্যত নিৰ্বাচনী প্ৰচাৰ চলাব বুলি দলীয় সূত্ৰই প্ৰকাশ কৰিছে।

০০০০০

ৰাজ্যৰ মুঠ ১২৬টা বিধানসভা সমষ্টিৰ ১২৫টা সমষ্টিত মনোনয়ন পত্ৰ পৰীক্ষা কৰাৰ অন্তত ৭৮৬ গৰাকী প্ৰাৰ্থীৰ মনোনয়ন পত্ৰ বৈধ বিবেচিত হৈছে। দুগৰাকী প্ৰাৰ্থীৰ বিৰুদ্ধে অভিযোগ-প্ৰতি অভিযোগৰ পৰিপ্ৰেক্ষিতত কালি মনোনয়ন পত্ৰৰ পৰীক্ষা স্থগিত ৰখা শোণিতপুৰৰ ঢেকিয়াজুলি সমষ্টিৰ দুয়োগৰাকীৰে মনোনয়ন বৈধ বুলি ঘোষণা কৰা হৈছে। এনে প্ৰেক্ষাপটত সমষ্টিটোত ১০ গৰাকী প্ৰাৰ্থী প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হোৱাটো বৰ্তমানলৈ নিশ্চিত হৈছে। আনহাতে মনোনয়নৰ পৰীক্ষা স্থগিত ৰখা অনুসূচিত জাতিৰ বাবে সংৰক্ষিত বৰপেটা সমষ্টিত পৰীক্ষণ প্ৰক্ৰিয়া সম্পূৰ্ণ হৈছে যদিও এতিয়ালৈকে আনুষ্ঠানিক ঘোষণা কৰা হোৱা নাই। সমষ্টিটোৰ কংগ্ৰেছ প্ৰাথীগৰাকীৰ মনোনয়ন আজি বাতিল হয়। প্ৰাৰ্থীগৰাকীৰ মনোনয়ন পত্ৰত দলীয় টিকটৰ প্ৰতিলিপি সংলগ্ন নকৰাৰ উপৰি প্ৰয়োজনীয় স্বাক্ষৰ নথকা বুলি অসম গণ পৰিষদ দলে অভিযোগ উত্থাপন কৰিছিল। এই অভিযোগৰ পাছতে কংগ্ৰেছৰ প্ৰাৰ্থীগৰাকীয়ে প্ৰয়োজনীয় তথ্য জমা দিবলৈ সময় বিচাৰে। সেই অনুসৰি জিলা নিৰ্বাচন বিভাগে আজি দিনৰ এঘাৰ বজালৈ তেওঁক সময় ধাৰ্য কৰি দিয়ে যদিও তেওঁ প্ৰয়োজনীয় তথ্য দাখিল কৰাত ব্যৰ্থ হোৱাত জিলা নিৰ্বাচনী বিষয়াই মনোনয়ন বাতিল কৰে। মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ সময় কাইলৈ বিয়লি ৩ বজা পৰ্যন্ত নিৰ্ধাৰণ কৰা হৈছে।

০০০০০

আসন্ন নিৰ্বাচন শান্তিপূৰ্ণভাৱে পৰিচালনাৰ বাবে বিভিন্ন জিলা প্ৰশাসনে পূৰ্ণগতিত প্ৰস্তুতি অব্যাহত ৰাখিছে। কাছাৰ জিলাৰ শিলচৰত প্ৰশাসনে ই ভি এম আৰু ভি ভি পেট সহায়ক কেন্দ্ৰ মুকলি কৰিছে। প্ৰতি সোমবাৰৰ পৰা শনিবাৰলৈ দিনৰ ১০ বজাৰ পৰা বিয়লি ৪ বজালৈ এই কেন্দ্ৰ মুকলি থাকিব।

**ধুবুৰী** জিলাৰ পাঁচটা বিধানসভা সমষ্টি গোলকগঞ্জ, গৌৰীপুৰ, ধুবুৰী, বীৰসিং জৰুৱা আৰু বিলাসীপাৰাত ভোটগ্ৰহণ নিয়াৰিকৈ সম্পন্ন কৰাৰ বাবে প্ৰশাসনে যাৱতীয় ব্যৱস্থা লৈছে। জিলাখনত ১২ লাখ ২০ হাজাৰ ৩৮৪ গৰাকী ভোটদাতা আছে। ভোটগ্ৰহণৰ বাবে এহেজাৰ ৫৪৮ টা ভোটকেন্দ্ৰ স্থাপন কৰা হৈছে আৰু ইয়াৰে ১৮৯ টা নগৰাঞ্চলত তথা এহেজাৰ ৩৫৯ টা গ্ৰামাঞ্চলত। জিলাখনৰ ভোটকেন্দ্ৰসমূহৰ ভিতৰত ২৩১ টা স্পৰ্শকাতৰ হিচাপে চিনাক্ত কৰা হৈছে।

**দক্ষিণ শালমাৰা মানকাচৰ** জিলা প্ৰশাসনে নিৰ্বাচনৰ বাবে প্ৰস্তুতি অব্যাহত ৰাখিছে। জিলাখনত ২৮ মাৰ্চ পৰ্যন্ত নিৰ্বাচনী বিষয়াসকলৰ দ্বিতীয় পৰ্যায়ৰ প্ৰশিক্ষণ অনুষ্ঠিত হৈছে। এই সন্দৰ্ভত হাটশিঙিমাৰীৰ মুখ্য প্ৰশিক্ষক ৰাফিউল আলমে এইদৰে কয়।

৯ এপ্ৰিলত শান্তিপূৰ্ণভাৱে ভোটগ্ৰহণ সম্পন্ন কৰিবলৈ গ্ৰহণ কৰা পদক্ষেপৰ অংশ হিচাপে কালি প্ৰশাসনে এখন সংবাদমেলৰ আয়োজন কৰে। সংবাদমেলত জিলা আয়ুক্ত ৰাহুল কুমাৰ গুপ্তাই জিলাখনৰ একমাত্ৰ সমষ্টি মানকাচৰত তিনি লাখ ১১ হাজাৰ ১৫২ গৰাকী ভোটদাতা আছে বুলি উল্লেখ কৰে। জিলাখনত স্থাপন কৰিবলগীয়া ৪০২ টা ভোটকেন্দ্ৰৰ ৫২ টা স্পৰ্শকাতৰ হিচাপে চিহ্নিত হৈছে। সংবাদমেলত জিলাখনৰ আয়ুক্ত ৰাহুল কুমাৰ গুপ্তাই জনসাধাৰণে ওজৰ-আপত্তি দৰ্শাব পৰাকৈ হেল্পলাইন নম্বৰ আৰু চি ভিজিল এপ মুকলি কৰা হৈছে বুলি জানিবলৈ দিয়ে।

**গোৱালপাৰা** জিলাৰ এহেজাৰ ১০ টা ভোটগ্ৰহণ কেন্দ্ৰৰ নিৰাপত্তা ব্যৱস্থা সুনিশ্চিত কৰি ভোটগ্ৰহণ শান্তিপূৰ্ণভাৱে অনুষ্ঠিত কৰাৰ বাবে জিলা প্ৰশাসনে প্ৰস্তুতি চলাই আছে। ভোটগ্ৰহণ কেন্দ্ৰসমূহৰ ৭২ টা অসম-মেঘালয় সীমান্তত আৰু ৪৮ টা চৰ অঞ্চলত অৱস্থিত। জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক নৱনীত মহন্তৰ নিৰ্দেশমৰ্মে সীমান্ত আৰু চৰ অঞ্চলসমূহত নিৰাপত্তাৰ ক্ষেত্ৰত বিশেষ দৃষ্টি ৰখা হৈছে। জিলাখনত নিৰ্বাচন স্বচ্ছ নিকা আৰু শান্তিপূৰ্ণভাৱে অনুষ্ঠিত কৰাৰ বাবে জিলা প্ৰশাসনে ২৪ ঘণ্টাই সক্ৰিয় নিয়ন্ত্ৰণ কক্ষ স্থাপন কৰিছে। ইয়াৰ লগতে চি ভিজিল নামৰ মোবাইল এপ্লিকেছনৰ জৰিয়তেও জনসাধাৰণে নিৰ্বাচনী বিধি উলংঘা সম্পৰ্কীয় ওজৰ আপত্তি দাখিল কৰিব পাৰিব। ওদালগুৰি জিলাৰ বিধানসভা নিৰ্বাচনৰ সাধাৰণ পৰ্যবেক্ষক বিনিত নন্দন ৰাৱে আজি জিলা আয়ুক্তৰ কাৰ্যালয় চৌহদত নিৰ্বাচনী শুভংকৰ মুকলি কৰে। তেওঁ ছুইপ শীৰ্ষক ভোটাৰ সজাগতা কাৰ্যসূচীৰ অধীনত সজাগতা বাহনো মুকলি কৰে। লখিমপুৰ জিলাত নিৰ্বাচনৰ সাধাৰণ পৰ্যবেক্ষক মাগেশ্বৰী ৰবী কুমাৰে আজি জিলাখনৰ নিৰ্বাচনী প্ৰস্তুতি পৰিদৰ্শন কৰে। নগাওঁ জিলাতো নিৰ্বাচনৰ পৰ্যবেক্ষক মনজিৎ সিঙে প্ৰস্তুতি পৰ্যালোচনা কৰে।

০০০০০

ছিংগাপুৰৰ ক'ৰনাৰ্ছ আদালতে অসমৰ জনপ্ৰিয় শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনা সন্দৰ্ভত ৰায়দান কৰি শিল্পীগৰাকীৰ আকস্মিকভাৱে পানীত বুৰি মৃত্যু হৈছিল বুলি প্ৰকাশ কৰিছে। এই ঘটনাত হত্যা কাণ্ড বুলি অভিহিত কৰিব পৰাকৈ কোনোধৰণৰ তথ্য-প্ৰমাণ পোৱা নাই বুলি উল্লেখ কৰি আদালতৰ ৰায়টোত জুবিন গাৰ্গৰ মৃত্যুক দুৰ্ভাগ্যজনক আৰু আকস্মিক বুলি আখ্যা দিয়া হৈছে। শিল্পীগৰাকীৰ মৃত্যু ষড়যন্ত্ৰৰ ফলত সংঘটিত হোৱা বুলি উত্থাপিত অভিযোগ সন্দৰ্ভত গ্ৰহণ কৰা কেইবাটাও শুনানিৰ অন্তত আদালতখনে ছিংগাপুৰৰ ক'ষ্ট গাৰ্ডৰ তথ্যক সমৰ্থন কৰি তেওঁক হত্যাৰ অভিযোগ নাকচ কৰে। পানীত থকাসকলে ইচ্ছাকৃতভাৱে জুবিন গাৰ্গক মৃত্যুৰ মুখলৈ ঠেলি দিয়া নাছিল বুলিও আদালতৰ ৰায়দানত উল্লেখ কৰা হৈছে। আদালতৰ এই শুনানিত জুবিন গাৰ্গৰ খুড়াক মনোজ বৰঠাকুৰ আৰু তেওঁৰ পুত্ৰসম ৰাহুল গৌতম শৰ্মা উপস্থিত আছিল।

উল্লেখযোগ্য যে যোৱা ১৯ ছেপ্তেম্বৰত ৰহস্যজনক অৱস্থাত অসমৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ মৃত্যু ঘটিছিল। এই ঘটনাক মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই হত্যা বুলি অভিহিত কৰাৰ লগতে অসম আৰক্ষীৰ বিশেষ অনুসন্ধানকাৰী গোটে ঘটনাটোৰ তদন্ত কৰি ১২ হাজাৰ পৃষ্ঠাৰ অভিযোগনামা দাখিল কৰিছিল। ইতিমধ্যে ৰাজ্যৰ এখন ফাষ্টট্ৰেক আদালতত এই ঘটনাৰ তদন্তৰ আৰম্ভ হৈছে। ০

০০০০০

ৰাজ্যৰ সোণোৱাল কছাৰী জনগোষ্ঠীৰ লোকসকলে পৰম্পৰাগত ৰীতি নীতিৰে আজি তৰা চিগা বিহু বা তৰা চিৰা বিহু পালন কৰিছে। ৰঙালী বিহুৰ আগজাননী হিচাপে গণ্য কৰা এই বিহু চ'ত মাহৰ দ্বিতীয় বুধবাৰে পালন কৰা হয়। এই উপলক্ষে জনগোষ্ঠীটোৰ লোকসকলে পুৰাই বিল বা জলাশয়ৰ পৰা তৰাপাত চিগি আনে।

এই পাতেৰে গৰু বিহুৰ দিনা গৰুক দিবলৈ নতুন পঘা প্ৰস্তুত কৰা হয়। ইয়াৰ উপৰি জনগোষ্ঠীটোৱে পৰম্পৰাগত ৰীতি নীতিৰে পূৰ্বপুৰুষক স্মৰণ কৰে। ইয়াৰ পাছতে ঠেঙাল কছাৰীসকলে ৰঙালী বিহুৰ প্ৰস্তুতিও আৰম্ভ কৰে। যোৰহাট জিলাৰ তিতাবৰত সদৌ অসম ঠেঙাল কছাৰী সংগঠনৰ উদ্যোগত দিনযোৰা কাৰ্যসূচীৰে তৰা চিৰা বিহু পালন কৰা হয়। এই সন্দৰ্ভত অঞ্চলটোৰ এগৰাকী বাসিন্দাই এইদৰে কয়ঃ

বাইট

০০০০০

মধ্য প্ৰাচ্যত সৃষ্টি হোৱা পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত সম্ভাব্য সংকটৰ জোৰা মৰাৰ বাবে আলোচনা কৰিবলৈ কেন্দ্ৰীয় চৰকাৰে আজি এখন সৰ্বদলীয় বৈঠকৰ আয়োজন কৰিছে। এই বৈঠকত প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে অধ্যক্ষতা কৰিছে। এই বৈঠকত বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ডং এছ জয়শংকৰো উপস্থিত আছে। উল্লেখযোগ্য যে মধ্যপ্ৰাচ্যৰ যুদ্ধৰ ফলত ভাৰতত উদ্ভৱ হ'ব পৰা পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত প্ৰতিখন ৰাজ্যক সহযোগিতা আগবঢ়োৱাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আহ্বান জনাইছে। ৰাজ্যসভাত কালি দিয়া ভাষণত শ্ৰী মোদীয়ে কয়, যে তিনি সপ্তাহতকৈ অধিক সময় অতিবাহিত হোৱা মধ্যপ্ৰাচ্যৰ যুদ্ধৰ ফলত ভাৰতৰো ব্যৱসায়িক ক্ষেত্ৰত প্ৰভাৱ পৰিছে।

ইপিনে, যুদ্ধৰ নেতিবাচক প্ৰভাৱৰ ফলত সৃষ্টি হোৱা পৰিস্থিতি জোৰা মৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰে সাতখন উচ্চ ক্ষমতা সম্পন্ন সমিতি গঠন কৰিছে। এই সমিতিয়ে ইন্ধনৰ সংকটৰ লগতে অত্যাৱশ্যকীয় সামগ্ৰীৰ নিৰৱচ্ছিন্ন সৰবৰাহৰ ব্যৱস্থা কৰিব। উল্লেখযোগ্য যে কালি আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে এই যুদ্ধৰ ফলত সৃষ্টি হোৱা সংকট সন্দৰ্ভত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সৈতে আলোচনা কৰে।

০০০০০

কেন্দ্ৰীয় চৰকাৰে, প্ৰধানমন্ত্ৰী উজ্জ্বলা যোজনাৰ অধীনত গেছ চিলিণ্ডাৰ বুকিঙৰ সময়সীমা ৪৫ দিনলৈ বৃদ্ধি কৰা হৈছে বুলি প্ৰচাৰিত এটা বাতৰিৰ সত্যতা অস্বীকাৰ কৰিছে। সামাজিক মাধ্যমত প্ৰচাৰিত এই বাতৰিক ভুৱা বুলি অভিহিত কৰি কেন্দ্ৰীয় পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰালয়ে কয়, যে এই ক্ষেত্ৰত পূৰ্বৰ নীতিৰ কোনো সালসলনি ঘটোৱা হোৱা নাই। সকলো ধৰণৰ সংযোগৰ ক্ষেত্ৰতেই এটা চিলিণ্ডাৰ লাভ কৰাৰ পাছত পৰৱৰ্তী চিলিণ্ডাৰ বুকিঙৰ বাবে পূৰ্বৰ দৰেই নগৰাঞ্চলৰ বাবে ২৫ দিন আৰু গ্ৰামাঞ্চলৰ বাবে ৪৫ দিনৰ সময়সীমাৰ ব্যৱস্থা অব্যাহত থাকিব বুলি লগতে কোৱা হৈছে। দেশত পৰ্যাপ্ত পৰিমাণৰ ৰন্ধন গেছ মজুত আছে বুলি উল্লেখ কৰি চৰকাৰে এই সন্দৰ্ভত কোনো ধৰণৰ ভুল তথ্য বিশ্বাস অথবা প্ৰচাৰ নকৰিবলৈ আৰু চিলিণ্ডাৰ বুকিং সন্দৰ্ভত অযথা আতংকিত নহ'বলৈ আহ্বান জনাইছে।

০০০০০

ৰাজ্যপাল তথা কৃষ্ণকান্ত সন্দিকৈ মুক্ত বিশ্ববিদ্যালয়ৰ আচাৰ্য লক্ষ্মণ প্ৰসাদ আচাৰ্যই আজি বিশ্ববিদ্যালয়খনৰ অষ্টম সমাৱৰ্তনত অংশগ্ৰহণ কৰে। বিশ্ববিদ্যালয়খনৰ জুবিন গাৰ্গ প্ৰেক্ষাগৃহত আয়োজিত অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকি ৰাজ্যপালগৰাকীয়ে কয়, যে নতুন শিক্ষানীতি ২০২০ৰ লক্ষ্য প্ৰাপ্তিত বিশেষকৈ ২০৩৫ চনৰ ভিতৰত উচ্চ শিক্ষাত মুঠ নামভৰ্তিৰ অনুপাত ৫০ শতাংশলৈ বৃদ্ধিৰ লক্ষ্য প্ৰাপ্তিত কৃষ্ণকান্ত সন্দিকৈ মুক্ত বিশ্ববিদ্যালয়ে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। শ্ৰীআচাৰ্যই বিশ্ববিদ্যালয়খনত গ্ৰামাঞ্চলৰ পৰা প্ৰায় ৫০ শতাংশ শিক্ষাৰ্থীৰ উপৰি প্ৰায় ৬০ শতাংশ মহিলাৰ নামভৰ্তিৰ বিষয়টোত সন্তুষ্টি প্ৰকাশ কৰে। বৰ্তমান সময়ত মুক্ত আৰু দূৰশিক্ষা ব্যৱস্থাৰ যথেষ্ট গুৰুত্ব আছে বুলি উল্লেখ কৰি ৰাজ্যপালগৰাকীয়ে

কয়, যে বিভিন্ন কাৰণত উচ্চ শিক্ষা গ্ৰহণ কৰিবলৈ অসমৰ্থ হোৱা অগণন ছাত্ৰ-ছাত্ৰীৰ বাবে এই ব্যৱস্থা অতি গুৰুত্বপূৰ্ণ হিচাপে বিবেচিত হৈছে।

উল্লেখযোগ্য যে সমাৱৰ্তনত আজি ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই বিশিষ্ট স্নায়ু ৰোগ বিশেষজ্ঞ ডাঃ নোমল চন্দ্ৰ বৰাক চিকিৎসা আৰু সামূহিক স্বাস্থ্যৰ ক্ষেত্ৰত আগবঢ়োৱা অৱদানৰ স্বীকৃতি স্বৰূপে সন্মানীয় ডক্টৰ অব ছায়েন্স ডিগ্ৰী প্ৰদান কৰে। তদুপৰি আজি ২২ গৰাকী শিক্ষাৰ্থীক পি এইচ ডি, ১২ হাজাৰ ৫০০ গৰাকীক স্নাতকোত্তৰ আৰু ৪ হাজাৰ ২৩৭ গৰাকীক স্নাতক ডিগ্ৰী প্ৰদান কৰা হয়।

ooooo

ঃঃ সমাপ্ত ঃঃ